জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩০৮/২০২২**

## ‘হামদেৰ মনেৰ কথা’ শীৰ্ষক অনুষ্ঠানত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## চাহ জনগোষ্ঠীৰ কল্যাণৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৭অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনৰ সভাকক্ষত আয়োজিত ‘হামদেৰ মনেৰ কথা’ শীৰ্ষক এক অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ৰাজ্যৰ চাহ জনজাতি সম্প্ৰদায়ৰ সৰ্বাংগীন কল্যাণৰ বাবে গঠিত ৭ খন উপ-সমিতিয়ে তেওঁলোকৰ পৰামৰ্শমূলক প্ৰতিবেদন দাঙি ধৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে চাহ জনজাতি সম্প্ৰদায়ৰ স্বাস্থ্য, পৰিপুষ্টি আৰু পৰিয়াল কল্যাণ, শিক্ষা খণ্ডৰ সংস্কাৰ, দক্ষতা আৰু নিয়োগ, অৰ্থনৈতিক সৱলীকৰণ, কলা আৰু সংস্কৃতি, ক্ৰীড়া, ভূমি আবণ্টন আৰু গৃহ অনুমোদন বিষয় সামৰি ৭ খন উপ-সমিতি গঠন কৰিছিল। তেওঁ কয় যে উপ-সমিতিয়ে আগবঢ়োৱা পৰামৰ্শসমূহ ৰাজ্য চৰকাৰে হ্ৰস্বম্যাদী, মধ্যম্যাদী আৰু দীৰ্ঘম্যাদী ব্যৱস্থাৰে সমাধান কৰাৰ বাবে দৃঢ়তাৰে পদক্ষেপ গ্ৰহণ কৰিব। বৰ্তমানৰ ৰাজ্য চৰকাৰে চাহ জনগোষ্ঠীৰ সৰ্বাংগীন কল্যান সাধন কৰাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষাখণ্ডত এই জনগোষ্ঠীৰ নতুন প্ৰজন্মক আগুৱাই নিয়াৰ বাবে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে ৯৭ খন আদৰ্শ চাহ বাগিচা বিদ্যালয় স্থাপন কৰা হৈছে আৰু ২২ খন নিৰ্মীয়মান অৱস্থাত আছে। ৰাষ্ট্ৰপতিয়ে ১০০ খন এনে বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই বিদ্যালয়সমূহ নিৰ্মাণ হৈ উঠিলে এনে বিদ্যালয়ৰ সংখ্যা মুঠ ২১৯ খনলৈ বৃদ্ধি পাব। ৰাজ্য চৰকাৰে এই বিদ্যালয়সমূহক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ ৰূপান্তৰিত কৰিব। তেওঁ লগতে কয় যে ১২ ৰ পৰা ১৫ খন চাহ বাগিচাক সামৰি একোখনকৈ মহাবিদ্যালয় নিৰ্মাণ কৰা হ’ব। বৰ্তমানৰ ৰাজ্য চৰকাৰে আৰু ৩ খন আসন চিকিৎসা মহাবিদ্যালয়ত বৃদ্ধি কৰাৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়ত চাহ জনগোষ্ঠী সম্প্ৰদায়ৰ আসনৰ সংখ্যা ২৭ খনলৈ বৃদ্ধি পালে। নতুনকৈ স্থাপন কৰিবলগীয়া প্ৰতিখন চিকিৎসা মহাবিদ্যালয়তে ৩ খনকৈ আসন চাহ জনগোষ্ঠী সম্প্ৰদায়ৰ বাবে সংৰক্ষিত থাকিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পৱিত্ৰ মাৰ্ঘেৰিটা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, বিধায়কদ্বয় ৰূপেশ গোৱালা আৰু কৃষ্ণ কমল তাঁতী, চাহ জনজাতি কল্যাণ বিভাগৰ সচিব জুভি নামপুই, উপ-সমিতিসমূহৰ অধ্যক্ষ, সচিবকে ধৰি অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**পুঃডেঃ**
**১৭/১০/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in